ভাৰত চৰকাৰ
বিধি আৰু ন্যায় মন্ত্ৰালয়

# হিন্দু বিবাহ (কাৰ্যবাহীবোৰৰ বিধিমান্যকৰণ) অধিনিয়ম, ১৯৬০

(১৯৬০ ৰ ১৯ নং অধিনিয়ম)

[১ এপ্ৰিল, ১৯৯০ তাৰিখে যথা বিদ্যমান]

# The Hindu Marriage (Validation of Proceedings) Act, 1960

(Act No. 19 of 1960)

[As on the 1st April, 1990]

ভাৰত চৰকাৰৰ হৈকে, অসম চৰকাৰ (বিধান বিভাগ) ৰ দ্বাৰা প্ৰকাশিত আৰু
অসম চৰকাৰী ছপাশালত মুদ্ৰিত, গুৱাহাটী - ২১

## পাতনি

১ এপ্ৰিল, ১৯৯০ তাৰিখে যথা বিদ্যমান হিন্দু বিবাহ (কাৰ্যবাহীবোৰৰ বিধিমান্যকৰণ) অধিনিয়ম, ১৯৬০ (১৯৬০ৰ ১৯ নং)ৰ এই সংস্কৰণত এই অধিনিয়মৰ অসমীয়াত প্ৰাধিকৃত অনুবাদ আছে আৰু এই অসমীয়া অনুবাদ ৭/৯/১৯৯০ তাৰিখৰ ভাৰতৰ ৰাজপত্ৰ, অসাধাৰণ, ভাগ—৬, অনুভাগ—১, নং ১, খণ্ড ১ৰ পৃষ্ঠা ২৪ত প্ৰকাশিত হৈছিল।

প্ৰাধিকৃত পাঠ (কেন্দ্ৰীয় বিধি) অধিনিয়ম, ১৯৭৩ ৰ ধাৰা ২ৰ খণ্ড (ক)ৰ অধীনত ৰাষ্ট্ৰপতিৰ প্ৰাধিকাৰাধীনে অসমীয়াত এই প্ৰাধিকৃত অনুবাদ প্ৰকাশ কৰা হৈছিল আৰু এনেদৰে প্ৰকাশ হোৱাত অসমীয়াত এই অধিনিয়মৰ প্ৰাধিকৃত পাঠৰূপে গণ্য হ'ব।

## PREFACE

This edition of the Hindu Marriages (Validation of Proceedings) Act, 1960 (19 of 1960) as on the 1st April, 1990 contains the authorised translation of that Act in Assamese and the same was published in the Gazette of India, Extraordinary, part VI, Section 1, No. 1, Vol. 1 dated 7th September, 1990 on page 24.

This authorised translation in Assamese was published under the Authority of the President under clause (a) of section 2 of the Authoritative Texts (Central Laws) Act, 1973 and on such publication, it became the authoritative texts of the Act in Assamese.

New Delhi
Date 22-10-90

V. S. RAMA DEVI,
Secretary to the Govt. of India.

# হিন্দু বিবাহ (কাৰ্যবাহীবোৰৰ বিধিমান্যকৰণ) অধিনিয়ম, ১৯৬০

১৯৬০ চনৰ ১৯ নং

(১ এপ্ৰিল, ১৯৯০ তাৰিখে যথা বিদ্যমান)

[৬ মে ১৯৬০]

হিন্দু বিবাহ অধিনিয়ম, ১৯৫৫ ৰ অধীনত নিৰ্দিষ্ট কিছুমান **কাৰ্যবাহী বিধিমান্য কৰণাৰ্থে এক অধিনিয়ম ।**

ভাৰত গণৰাজ্যৰ একাদশ বৰ্ষত নিম্নলিখিত মতে অধিনিয়মিত হওক :—

সংক্ষিপ্ত নাম আৰু বিস্তাৰ ।

১। (১) এই অধিনিয়মৰ নাম হিন্দু বিবাহ (কাৰ্যবাহীবোৰৰ বিধিমান্য-কৰণ) অধিনিয়ম, ১৯৬০ ।

**(২) ইয়াৰ বিস্তাৰ জম্মু আৰু কাশ্মীৰ ৰাজ্যৰ বাহিৰে সমগ্ৰ ভাৰতলৈকে হব ।**

১৯৫৫ চনৰ ২৫ নং অধিনিয়মৰ অধীনত কিছুমান নিৰ্দিষ্ট আদালতৰ কাৰ্য্যবাহী-বোৰৰ বৈধকৰণ ।

২। (১) এই অধিনিয়মৰ প্ৰাৰম্ভণৰ আগতে উপধাৰা (২)ত উল্লিখিত আদালত সমূহে যিকোনো **হিন্দু বিবাহ অধিনিয়ম, ১৯৫৫ ৰ অধীনে অধিকাৰিতা প্ৰয়োগ কৰি বা তাত্‌পৰ্যতভাবে প্ৰয়োগ কৰি কৰা কাৰ্যবাহী** আৰু ডিক্ৰী আৰু হুকুম সমূহ যি কোনো আদালতৰ যি কোনো ৰায় **ডিক্ৰী বা হুকুমৰ সত্ত্বেও আইনত শুদ্ধ আৰু সিদ্ধ বুলি পৰিগণিত** হব যেনিবা তেনে অধিকাৰিতা প্ৰয়োগ কৰা বা তাতপৰ্যত ভাবে প্ৰয়োগ কৰা আদালতখন উক্ত অধিনিয়মৰ অৰ্থৰ ভিতৰত জিলা আদালতহে আছিল।

(২) উপধাৰা (১)ত উল্লিখিত আদালত সমূহ হ'ল নিম্নলিখিত **সমূহ :**

ওপৰাঞ্চজজ, ওপৰাঞ্চ জিলা জজ, অতিৰিক্ত জিলা জজ, সহকাৰী জজ আদালত আৰু যি নামেৰেই অভিহিত নহওক, খিতাপত নিম্ন জজৰ আদালতৰ অধস্থ নোহোৱা যি কোনো আদালত ।